অধ্যায় ৯ ঃ ডিপ'জিটৰী (DEPOSITORY)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ডিপ'জিটৰীৰ অর্থ

৯.৪ ডিপ'জিটৰীৰ সুবিধাসমূহ

৯.৫ ডিপ'জিটৰীৰ পাৰটিচিপেণ্ট

৯.৬ আন্তঃৰাষ্ট্ৰীয় প্ৰতিভূতি চিনাক্তকৰণ সংখ্যা

৯.৭ ডিপ'জিটৰীৰ প্ৰক্ৰিয়া

৯.৮ ভাৰতবর্ষৰ ডিপ'জিটৰীসমূহ

৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১০ অধিক জানিবলৈ

৯.১১ অগ্ৰগতিৰ খতিয়ান

৯.১২ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ডিপ'জিটৰীৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ডিপ'জিটৰীৰ সুবিধাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ডিপ'জিটৰীৰ লগত জড়িত প্ৰক্ৰিয়াৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- নেচনেল চিকিউৰিটিজ ডিপ'জিটৰীজ লিমিটেড আৰু চেণ্ট্ৰেল ডিপ'জিটৰী চার্ভিচেজ লিমিটেডৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয় (INTRODUCTION)

আগতে কোম্পানীৰ প্ৰতিভূতিসমূহ কায়িকভাৱে প্ৰমাণ পত্ৰৰ ৰূপত আছিল। ইয়াৰ ফলস্বৰূপে ভাৰতৰ ষ্টক বিনিময় কেন্দ্ৰসমূহ (Stock exchanges) ত হোৱা প্ৰতিভূতিৰ ক্ৰয়-বিক্ৰয় আৰু নিষ্পত্তিৰ প্ৰক্ৰিয়াটো লেহেমীয়া তথা অদক্ষ আছিল। প্ৰতিভূতিৰ খৰতকীয়া হস্তান্তৰকৰণ অতি জটিল আছিল। নিষ্পত্তিৰ বিলম্বনৰ উপৰিও চুৰি, জাল কার্য, নষ্ট হোৱা, আসোঁৱাহপূর্ণ বিলিকৰণ ইত্যাদি অসুবিধাসমূহ আছিল, কায়িক ৰূপত থকা প্ৰতিভূতিৰ সমস্যাসমূহৰ পৰা মুক্ত হ'বলৈ ১৯৯৬ চনত ডিপ'জিটৰীজ আইনখন প্ৰণয়ন কৰা হৈছিল। এই আইনখনৰ প্ৰধান উদ্দেশ্য আছিল প্ৰতিভূতিৰ হস্তান্তৰকৰণ দ্ৰুত, নিখুত, সুৰক্ষিত আৰু সুনিশ্চিত কৰা।

ভাৰতবৰ্ষত স্থাপন কৰা প্ৰথম ডিপ'জিটৰী সংগঠনটো হৈছে নেচনেল চিকিউৰিটিজ ডিপ'জিটৰী লিমিটেড (National Securities Depository Limited) চমুকৈ NSDL আৰু ইয়াক প্ৰৱৰ্তন কৰা সংস্থাসমূহ হৈছে IDBI, UTI আৰু NSE।

এই অধ্যায়টিত আমি ডিপ'জিটৰী সংগঠনৰ ধাৰণা, ইয়াৰ সুবিধাসমূহ আৰু কাৰ্যসমূহ, ডিমেট হিচাপ তথা ডিপ'জিটৰীৰ লগত জড়িত আন কিছুমান বিষয়ও আলোচনা কৰিম।

৯.৩ ডিপ'জিটৰী অৰ্থ (MEANING OF DEPOSITORY)

ডিপ'জিটৰী হৈছে এটা সংগঠন যিটোৱে ইলেক্ট্ৰনিক ৰূপত বিনিয়োগকাৰীৰ প্ৰতিভূতিসূহ ধাৰণ কৰে। বেংকে যি ধৰণে আমাৰ ধন নিজৰ জিম্মাত ৰাখে ঠিক সেইদৰে এই সংগঠনসমূহে প্ৰতিভূতিসমূহ ধাৰণ কৰে। হিচাপৰ বহীত প্ৰৰিষ্টিৰ জৰিয়তে বিভিন্ন বিনিয়োগকীৰ প্ৰতিভূতিসমূহ ডিপ'জিটৰীয়ে ধাৰণ কৰে। ইয়াৰোপৰি এনে সংগঠনে প্ৰতিভূতিৰ লেনদেনৰ লগত জড়িত আন সেৱাসমূহো বিনিয়োগকাৰীৰ সুবিধাৰ্থে আগবঢ়ায়। এই সংগঠনসমূহে নিজৰ প্ৰতিনিধিৰ জৰিয়তে বিনিয়োগৰাকীসকলৰ লগত যোগাযোগ স্থাপন কৰে। এই প্ৰতিনিধিসমূহক ডিপ'জিটৰী পাৰটিচিপেণ্ট (Depository Participent) বোলা হয়। যদিহে এজন বিনিয়োগকাৰীয়ে ডিপ'জিটৰী সংগঠনে আগবঢ়োৱা সুবিধাসমূহ ল'ব বিচাৰে, তেনেহ'লে তেওঁ ডিপ'জিটৰী সংগঠনৰ প্ৰতিনিধি অৰ্থাৎ 'ডিপ'জিটৰী পাৰটিচিপেণ্ট'ৰ লগত নিজৰ এটা হিচাপ খুলি ল'ব লাগিব। ডিপ'জিটৰীজ আইন, ১৯৯৬ৰ ধাৰা ২ (৩) অনুসৰি 'ডিপ'জিটৰী হৈছে ১৯৫৬ চনৰ কোম্পানী আইনৰ অধীনত স্থাপন আৰু পঞ্জীকৃত হোৱা এটা কোম্পানী যিটোক ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় ব'ৰ্ড আইন, ১৯৯২ৰ ধাৰা ১২ৰ উপ-ধাৰা 1(A) ৰ অধীনত পঞ্জীকৃতৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হৈছে।

ডিপ'জিটৰীসমূহ দুই ধৰণৰ হ'ব পাৰে— বৈদ্যুতনিক আৰু নিশ্চল। বৈদ্যুতনিক ৰূপত হ'লে কাগজী প্ৰতিভূতিসমূহ তত্ত্বাৱধায়কে চালি-জাৰি চোৱাৰ পাছত সম্পূৰ্ণভাৱে বাদ দিয়া হয়। নিশ্চল ৰূপৰ ক্ষেত্ৰত প্ৰথমে কাগজী প্ৰতিভূতিসমূহ তত্ত্বৱাধায়কে নিৰাপদ কোষত জমা কৰি থয় আৰু ইয়াৰ পাছত কাগজী প্ৰতিভূতিসমূহৰ হস্ত-পৰিচালনা বন্ধ কৰা হয়।

৯.৪ ডিপ'জিটৰীৰ সুবিধাসমূহ (BENEFITS OF DEPOSITORY)

ডিপ'জিটৰীৰ প্ৰক্ৰিয়াত অংশগ্ৰহণৰ ফলত পোৱা সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- এই প্ৰক্ৰিয়াত প্ৰতিভূতিৰ আবণ্টন, হস্তান্তৰ আৰু পঞ্জীকৰণ দ্ৰুতগতিত হয়।
- প্ৰতিভূতিৰ হস্তান্তৰ ক্ষেত্ৰত থকা ষ্টাম্প শুল্ক, ডিপ'জিটৰী প্ৰক্ৰিয়াত পৰিশোধ কৰিব নালাগে।
- কায়িক প্ৰমাণ-পত্ৰৰ লগত জড়িত থকা কিছুমান শংকা, যেনে আসোঁৱাহযুক্ত বিতৰণ, জালিয়াতী আদিৰ পৰা ডিপ'জিটৰী প্ৰক্ৰিয়াত সকাহ পোৱা যায়।

- ডিপ'জিটৰী প্ৰক্ৰিয়াত অধিকসংখ্যক কাগজৰ হস্ত-পৰিচালনা ৰোধ পায়।
- ডিপ'জিটৰী প্ৰক্ৰিয়াত লেনদেনৰ খৰচ হ্ৰাস পায়।
- কোম্পানীৰ অধিকাৰ সাপেক্ষ আৰু বোনাচ অংশ বিলিকৰণ দ্ৰুতগতিত হয়।
- বিনিয়োগ আৰু লেনদেনসমূহৰ এক নিয়মিত প্ৰতিবেদন বিনিয়োগকাৰীসকলক পঠিয়াব পাৰি যাৰ সহায়ত তেওঁলোকে বিনিয়োগসমূহৰ ওপৰত স্ব-নিয়ন্ত্ৰণ ৰাখিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ডিপ'জিটৰীৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

প্ৰশ্ন নং ২ঃ ভাৰতবৰ্ষৰ প্ৰথম ডিপ'জিটৰীটোৰ নাম উল্লেখ কৰক।

.....

.....

৯.৫ ডিপ'জিটৰী পাৰটিচিপেণ্ট (DEPOSITORY PARTICIPANT)

ডিপ'জিটৰী পাৰটিচিপেণ্ট হৈছে ডিপ'জিটৰী সংগঠন এটাৰ প্ৰতিনিধি যাৰ জৰিয়তে সংঠনটোৱে বিনিয়োগকাৰীৰ লগত সম্পৰ্ক স্থাপন কৰে আৰু ডিপ'জিটৰী সেৱাসমূহ আগবঢ়ায়। ৰাজহুৱা খণ্ডৰ বিত্তীয় প্ৰতিষ্ঠান, অনুসূচিত বাণিজ্যিক বেংক, ভাৰতবৰ্ষত কাৰ্যৰত বিদেশীবেংক, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুমতি মৰ্মে ৰাজ্যিক বিত্তীয় সংস্থা, প্ৰতিভূতি দালাল, ষ্টক প্ৰকাৰ, অনা-বেংকীয় বিত্তীয় প্ৰতিষ্ঠান, প্ৰতিভূতি বিলিৰ পঞ্জীয়ক, প্ৰতিভূতি হস্তান্তৰৰ প্ৰতিনিধি আদিয়ে SEBI স্বৰ্তসমূহ মানি লৈ ডিপ'জিটৰী পাৰটিচিপেণ্ট হিচাপে পঞ্জীকৃত কৰিব পাৰে।

৯.৬ আন্তঃৰাষ্ট্ৰীয় প্ৰতিভূতি চিনাক্তকৰণ সংখ্যা (INTERNATIONAL SECURITIES IDENTIFICATION NUMBER)

আন্তঃৰাষ্ট্ৰীয় প্ৰতিভূতি চিনাক্তকৰণ সংখ্যা (ISIN) হৈছে এটা মান (standard) যিটো নিৰ্দিষ্ট কিছুমান প্ৰতিভূতি, যেনে— ঋণপত্ৰ, সমাংশ আদি প্ৰতিভূতিসমূহ চিনাক্ত কৰিবলৈ সমগ্ৰ বিশ্বত ব্যৱহাৰ কৰা হয়। প্ৰত্যেক প্ৰতিভূতিত আন্তৰ্জাতিক মান সংস্থা (International Organisation for Standardisation (ISOI) প্ৰদান কৰা একক আন্তঃৰাষ্ট্ৰীয় প্ৰতিভূতি চিনাক্তকৰণ সংখ্যা সন্নিবিষ্ট থাকে। বৈশিষ্ট্যসম্পৰ্ক চিহ্নৰে আন্তঃৰাষ্ট্ৰীয় প্ৰতিভূতি চিনাক্তকৰণ সংখ্যাটো গঠিত। এই সংখ্যাটোত তিনিটা অংশ থাকে— দেশৰ সাংকেতিক চিহ্ন হিচাপে দুটা বৰ্ণ, ৰাষ্ট্ৰীয় প্ৰতিভূতি চিনাক্তকৰণৰ বাবে বৰ্ণ-সংখ্যাযুক্ত ৯টা চিহ্ন আৰু একক সংখ্যা। উদাহৰণস্বৰূপে, ভাৰতীয় প্ৰতিভূতিৰ বাবে আই এছ আই এন হৈছে INE009A0102। ভাৰতত

আই এছ আই এন প্রদান কৰাৰ দায়িত্ব ভাৰতীয় প্রতিভূতি বিনিময় বোর্ডক অর্পণ কৰা হৈছে। চৰকাৰী প্রতিভূতিৰ ক্ষেত্রত এই দায়িত্ব ভাৰতীয় ৰিজার্ভ বেংকে পালন কৰে।

৯.৭ ডিপ'জিটৰী প্রক্রিয়া (DEPOSITORY PROCESS)

ডিপ'জিটৰী প্রক্রিয়াত নিম্নলিখিত পদক্ষেপসমূহ অন্তর্ভুক্ত হৈ আছে—

- **ডিপ'জিটৰী সেৱাৰ বাবে খোলা হিচাপ ঃ** ডিপ'জিটৰী সেৱাসমূহ গ্রহণ কৰিবলৈ ডিপ'জিটৰীৰ লগত এটা হিচাপ খোলাটো বাধ্যতামূলক। ডিপ'জিটৰী পাৰটিচিপেণ্টৰ জয়িতে এই হিচাপ খোলা হয়। হিচাপ খোলাৰ সময়ত বিনিয়োগকাৰী আৰু ডিপ'জিটৰী পাৰটিচিপেণ্টৰ মাজত এক চুক্তি স্বাক্ষৰিত হয় আৰু এই চুক্তিত বিনিয়োগকাৰী আৰু ডিপ'জিটৰী পাৰটিচিপেণ্টৰ কর্তব্য আৰু অধিকাৰসমূহ বিতংভাৱে সন্নিৱিষ্ট থাকে। মক্কেলৰ হিচাপৰ সংখ্যা বা মক্কেল চিনাক্তকৰণ সংখ্যা এটা বিনিয়োগকাৰীক প্রদান কৰা হয় আৰু ভৱিষ্যতৰ যোগাযোগৰ ক্ষেত্রত এই সংখ্যাটো উল্লেখ কৰালৈ বাঞ্ছনীয় হৈ পৰে। ২০০৬ চনৰ ১ এপ্রিলৰ পৰা ভাৰতীয় প্রতিভূতি আৰু বিনিময় বোর্ডে বৈদ্যুতনিক হিচাপ বা ডিমেট্ একাউণ্ট খোলাৰ ক্ষেত্রত সকলো বিনিয়োগকাৰীৰ বাবে পান কার্ড বাধ্যতামূলক কৰিছে।

  এজন বিনিয়োগৰাকীয়ে ডিপ'জিটৰী পাৰটিচিপেণ্টৰ জৰিয়তে খুলিব পৰা হিচাপৰ সংখ্যাৰ ওপৰত কোনো বাধ্য বাধকতা নাই। ডিপ'জিটৰী হিচাপসমূহ বেংক হিচাপ সদৃশ। আপুনি যিধৰণে এটাতকৈ অধিক বেংকত হিচাপ খুলিব পাৰে, ঠিক একেদৰে এজনতকৈ অধিক ডিপ'জিটৰী পাৰটিচিপেণ্টৰ লগত এনে হিচাপ খুলিব পাৰি। যৌথ বিনিয়োগৰ ক্ষেত্রত যি ক্রমত বিনিয়োগকাৰীসকলৰ নাম উল্লেখ কৰা আছে, সেই একে ক্রমত ডিপ'জিটৰী হিচাপ খুলিব লাগে।

- **নির্ভৌতিকীকৰণ (Dematerialisation) ঃ** কাগজী প্রতিভূতিসমূহ ইলেকট্রনিক ৰূপত ৰূপান্তৰিত কৰা প্রক্রিয়াটোক নির্ভৌতিকীকৰণ বোলা হয়। এজন বিনিয়োগকাৰীয়ে কেৱল সেইসমূহ প্রতিভূতিহে নির্ভৌতিকীকৰণ ৰূপলৈ ৰূপান্তৰ কৰাব পাৰে যিবোৰ তেওঁৰ নাম পঞ্জীকৃত হৈ আছে আৰু ডিপ'জিটৰীত নির্ভৌতিকীকৰণৰ বাবে সন্নিবিষ্ট কৰা হৈছে। কাগজী প্রতিভূতিসমূহ নির্ভৌতিকীকৰণৰ বাবে নিম্নলিখিত পদক্ষেপসমূহ গ্রহণ কৰা হয়—

  প্রথম পদক্ষেপ ঃ বিনিয়োগকাৰীজনে ডিপ'জিটৰী পাৰটিচিপেণ্টক ডিমেট্ হিচাপ খোলাৰ বাবে প্র-পত্র আৰু কাগজী প্রতিভূতি সমূহ জমা কৰিব লাগে। ডিপ'জিটৰী পাৰটিচিপেণ্টে প্রতিভূতিসমূহ ডিমেট্ৰ বাবে অন্তর্ভুক্ত হৈছে নে নাই চালি জাৰি চাব। ডিপ'জিটৰী পাৰটিচিপেণ্টে প্র-পত্র আৰু প্রতিভূতিসমূহ পোৱাৰ পাছত বিনিয়োগকাৰীজনক স্বীকৃতি পত্র আৰু কোম্পানীটোৰ ইলেকট্র'নিক ৰূপত অনুগ্রহ পত্র পঠিয়াব।

  দ্বিতীয় পদক্ষেপ ঃ ডিপ'জিটৰী পাৰটিচিপেণ্টে বিনিয়োগকাৰী নির্ভৌতিকীকৰণৰ কাৰণে কৰা অনুগ্রহ নিজৰ পদ্ধতিত অন্তর্ভুক্ত কৰে আৰু ইলেকট্র'নিক ৰূপলৈ ৰূপান্তৰ কৰিবলৈ

ডিপ'জিটৰীলৈ তথ্য প্ৰেৰণ কৰে আৰু লগতে প্ৰতিভূতিৰ প্ৰমাণ পত্ৰ আৰু প্ৰ-পত্ৰখন নিৰ্দিষ্ট বিলি কৰোতাঁ বা বিলিৰ পঞ্জীয়কলৈ পঠিয়াই।

তৃতীয় পদক্ষেপ ঃ বিলিৰ পঞ্জীয়কে কাগজী প্ৰমাণপত্ৰ আৰু ইলেকট্ৰ'নিক অনুগ্ৰহ পোৱাৰ পাছত আটাইবোৰ তথ্য চালি জাৰি চাই। পঞ্জীয়কজন সন্তুষ্ট হ'লে ডিপ'জিটৰীলৈ প্ৰতিভূতিৰ নিৰ্ভোতিকীকৰণৰ ক্ষেত্ৰত নিশ্চিতি প্ৰদান কৰে।

চতুৰ্থ পদক্ষেপ ঃ ডিপ'জিটৰীয়ে বিনিয়োগকাৰীজনৰ বৈদ্যুতনিক প্ৰতিভূতিসমূহ ডিমেট্ হিচাপলৈ হস্তান্তৰ কৰে আৰু ডিপ'জিটৰী পাৰটিচিপেণ্টজনক এই বিষয়ে অৱগত কৰে।

পঞ্চম পদক্ষেপ ঃ ডিপ'জিটৰী পাৰটিচিপেণ্টে মক্কেললৈ লেনদেনৰ বিবৃতি প্ৰেৰণ কৰে।

ডিমেট্ হিচাপ

বিনিয়োগকাৰীসকলে নিজৰ প্ৰতিভূতিসমূহ ইলেক্ট্ৰ'নিক বা নিৰ্ভোতিকীকৰণ ৰূপত সংৰক্ষিত কৰি ৰাখিব পৰা ব্যৱস্থাটোকে ডিমেট্ হিচাপ বোলা হয়। বেংক হিচাপৰ দৰে ডিমেট্ হিচাপত প্ৰতিভূতিসমূহ যেনে— অংশ, ব'ণ্ড, চৰকাৰী প্ৰতিভূতি আদি সংৰক্ষিত হৈ থাকে। ডিমেট্ হিচাপ অবিহনে কোনো বিনিয়োগকাৰীয়ে ষ্টক বজাৰত অংশগ্ৰহণ কৰিব নোৱাৰে।

ডিমেট্ হিচাপৰ সুবিধাসমূহ

ডিমেট্ হিচাপৰ কিছুমান সুবিধা তলত উল্লেখ কৰা হ'ল—

- কাগজী ৰূপত প্ৰতিভূতিসমূহ ৰখাতকৈ ডিমেট্ হিচাপত ৰখাটো সুৰক্ষিত আৰু সহজ।
- নিৰ্ভোতিকীকৰণ ৰূপত থকা প্ৰতিভূতিসমূহ হস্তান্তৰৰ ক্ষেত্ৰত কোনো ষ্টাম্প শুল্ক পৰিশোধ কৰিব নালাগে।
- কাগজী প্ৰতিভূতিৰ লগত জড়িত থকা কিছুমান শংকা যেনে— চুৰি, জাল-কাৰ্য, আসোঁৱাহপূৰ্ণ বিলিকৰণ আদি, ডিমেট্ হিচাপৰ জৰিয়তে আঁতৰ কৰিব পাৰি।
- প্ৰতিভূতিৰ ওপৰত ভিত্তি কৰি ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত ঋণদাতাসকলে নিৰ্ভোতিকীকৰণ প্ৰতিভূতিক অগ্ৰাধিকাৰ দিয়ে।
- প্ৰতিভূতি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত পৰিশোধ হোৱাৰ পিছৰ দিনাই বিনিয়োগকাৰীজনৰ নামত পঞ্জীকৃত হৈ যায়।
- বিভিন্ন কোম্পানীৰ প্ৰতিভূতিত বিনিয়োগ থাকিলেও, ঠিকনাৰ সাল-সলনি, আম্মোক্তাৰনামা (Power of Attorney)ৰ বিষয়ে অৱগত কৰা কাৰ্যসমূহ ডিপ'জিটৰী পাৰটিচিপেণ্ট দ্বাৰা নিৰ্দেশৰ জৰিয়তে কৰিব পাৰি।
- অংশৰ কাগজী প্ৰমাণ-পত্ৰ আৰু হস্তান্তৰৰ চুক্তিসমূহ পঠোৱাৰ ক্ষেত্ৰত থকা ডাকৰ খৰচ, ডিমেট্ হিচাপৰ জৰিয়তে হ্ৰাস কৰিব পাৰি।
- ইলেকট্ৰ'নিক ৰূপত থকা প্ৰতিভূতিসমূহ ভৌতিক ৰূপলৈ ৰূপান্তৰিত কৰা প্ৰক্ৰিয়াটোক পুনঃ ভৌতিকীকৰণ বোলে। যদি এজন বিনিয়োগকাৰী ডিপ'জিটৰীৰ লগত জমা ৰখা প্ৰতিভূতিসমূহ ঘূৰাই ল'ব বিচাৰে, তেনে ক্ষেত্ৰত বিনিয়োগকাৰীজনে

'ৰিমেটেৰিয়েলাইজেচন প্ৰ-পত্ৰৰ সহায়ত ডিপ'জিটৰী পাৰটিচিপেটৰ জৰিয়তে ডিপ'জিটৰীক আৱেদন কৰিব লাগে। ডিপ'জিটৰী পাৰটিচিপেণ্টে বিনিয়োগকাৰীজনৰ হিচাপত থাকিবলগীয়া উদ্ধৃত্তৰ নিশ্চয়তা নিৰূপণ কৰি আৱেদনখন ডিপ'জিটৰীলৈ পঠিয়াই। ডিপ'জিটৰীয়ে এই বিষয়ে পঞ্জীয়কক অৱগত কৰে আৰু পঞ্জীয়কজনে প্ৰমাণ পত্ৰ মুদ্ৰিত কৰি বিনিয়োগকাৰীজনলৈ পঠোৱাৰ ব্যৱস্থা কৰে।

- **লাভাংশৰ বিতৰণ**

  পঞ্জীয়ক বা প্ৰতিভূতি হস্তান্তৰৰ প্ৰতিনিধিজনে কোম্পানী কাৰ্য যেনে— হিচাপৰ সামৰণি, প্ৰতিভূতিৰ পৰিণত হোৱা তথ্যসমূহ ডিপ'জিটৰীক অৱগত কৰে। ডিপ'জিটৰীয়ে বিনিয়োগকাৰীসকলৰ হিচাপত থকা প্ৰতিভূতিৰ উদ্ধৃত্তৰ বিষয়ে কোম্পানীক তথ্য আগবঢ়ায়। এই তথ্যৰ ভিত্তিত কোম্পানীয়ে লাভাংশ, সুত আৰু আন বিত্তীয় সুবিধাসমূহ প্ৰত্যক্ষভাৱে বিনিয়োগকাৰীসকলৰ মাজত বিতৰণ কৰে।

- **হিচাপৰ সামৰণি**

  এক নিৰ্দিষ্ট ৰূপত আৱেদন কৰি এজন মক্কেলে নিজৰ হিচাপটো বন্ধ কৰিব পাৰে। কোনো ধৰণৰ দেনা বা পাওনাৰ উদ্ধৃত্ত নাথাকিলে মক্কেলজনে নিজৰ হিচাপৰ বন্ধ কৰিব পাৰে। হিচাপত কোনোধৰণৰ উদ্ধৃত্ত থাকিলে মক্কেলজনে তলত দিয়া ধৰণে হিচাপৰ সামৰণি মাৰিব পাৰে—

  (ক) হিচাপত থকা সকলো প্ৰতিভূতিৰ পুনঃ ভৌতিকীকৰণৰ জৰিয়তে,

  (খ) হিচাপত থকা প্ৰতিভূতিৰ উদ্ধৃত্ত তেওঁৰ আন এক হিচাপলৈ হস্তান্তৰৰ যোগেদি। এই হিচাপ একে ডিপ'জিটৰী পাৰটিচিপেণ্ট বা আন ডিপ'জিটৰী পাৰটিচিপেণ্টৰ লগত থাকিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ডিমেট্ হিচাপ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৪ঃ পুনঃ ভৌতিকীকৰণ বুলিলে কি বুজে?

.....

.....

৯.৮ ভাৰতবৰ্ষৰ ডিপ'জিটৰীসমূহ (DEPOSITORIES IN INDIA)

কাগজী প্ৰমাণ পত্ৰৰ লগত জড়িত হৈ থকা সমস্যাসমূহ আঁতৰাবলৈ ১৯৯৬ চনত ভাৰতত ডিপ'জিটৰী আইনখন প্ৰণয়ন কৰা হৈছিল। এই আইনখনৰ প্ৰধা কাৰ্য হৈছে নিম্নলিখিত দিশসমূহ কাৰ্যত ৰূপায়িত কৰি প্ৰতিভূতিসমূহৰ নিৰাপদ, সুৰক্ষিত আৰু দ্ৰুতগতিত হস্তান্তৰ

প্ৰক্ৰিয়া সুনিশ্চিত কৰা—

- ৰাজহুৱা সীমিত কোম্পানীসমূহ প্ৰতিভূতিসমূহ সহজে হস্তান্তৰযোগ্য কৰা,
- প্ৰতিভূতিসমূহ নিৰ্ভোতিকৰণ কৰা,
- প্ৰতিভূতিৰ মালিকীচৰ্তৰ নথিভুক্তিকৰণ।

এই কাৰ্যসমূহ সম্পাদন কৰিবলৈ দুটা সংগঠন নেচনেল চিকিউৰিটিজ ডিপ'জিটৰী লিমিটেড চমুকৈ NSDL (National Securities Depository Limited) আৰু চেণ্ট্ৰেল ডিপ'জিটৰী চাৰ্ভিচেজ (ইণ্ডিয়া) লিমিটেড চমুকৈ CSDL (Central Depository Services (India) Limited) স্থাপন কৰা হৈছিল।

নেচনেল চিকিউৰিটিজ ডিপ'জিটৰী লিমিটেড (NSDL) ভাৰতৰ প্ৰথম ডিপ'জিটৰী হিচাপে ১৯৯৬ চনত NSDL স্থাপন কৰা হৈছিল। IDBI, UTI আৰু NSEৰ যুটীয়া প্ৰচেষ্টাত NSDL স্থাপন কৰা হৈছিল। NSDLয়ে প্ৰতিভূতিৰ লগত জড়িত বিভিন্ন সেৱা ডিপ'জিটৰী পাৰটিচিপেণ্টৰ জৰিয়তে বিনিয়োগকাৰীসকলক সেৱা আগবঢ়াই। এই সেৱাসমূহ দুটা ভাগত ভাগ কৰিব পাৰি— মৌলিক সেৱা আৰু মূল্য সংযোজন সেৱা।

মৌলিক সেৱা ঃ NSDL য়ে নিম্নলিখিত মৌলিক সেৱাসমূহ আগবঢ়ায়—

- **হিচাপ খোলা ঃ** NSDL য়ে আগবঢ়োৱা সেৱাসমূহ উপভোগ কৰিবলৈ এজন বিনিয়োগকাৰী বা দালালে ডিপ'জিটৰী পাৰটিচিপেণ্টৰ জৰিয়তে NSDLৰ ডিপ'জিটৰী হিচাপ এটা খুলিব লাগে। এই হিচাপসমূহ তিনি প্ৰকাৰৰ হ'ব পাৰে—
  - **হিতাধিকাৰীৰ হিচাপ ঃ** যিজন বিনিয়োগকাৰীয়ে প্ৰতিভূতিসমূহ নিৰ্ভোতিকী ৰূপত জমা ৰাখিব বিচাৰে তেওঁ ডিপ'জিটৰী পাৰটিচিপেণ্টৰ লগত এটা হিতাধিকাৰী হিচাপ খুলবি পাৰে।
  - **ক্লিয়াৰিং সদস্যৰ হিচাপ ঃ** যিবিলাক ষ্টক বিনিময় কেন্দ্ৰই NSDLৰ লগত ইলেক্ট্ৰ'নিক যোগাযোগ স্থাপন কৰিছে, সেই কেন্দ্ৰৰ দালালসকলে ডিপ'জিটৰী পাৰটিচিপেণ্টৰ লগত প্ৰতিভূতিৰ লেনদেনৰ নিষ্পত্তি কৰিবলৈ একোটা ক্লিয়াৰিং সদস্য হিচাপ খুলিব লাগে। এই হিচাপটো নিষ্পত্তি হিচাপ বা 'পুল হিচাপ' বুলিও জনা যায়। এই হিচাপৰ জৰিয়তে কেৱল প্ৰতিভূতিৰ আদান-প্ৰদান কৰা হয় আৰু সেয়েহে দালালৰ এই হিচাপত থকা প্ৰতিভূতিৰ ওপৰত কোনো মালিকীস্বত্ব নাথাকে।
  - **মধ্যস্থতাকাৰীৰ হিচাপ ঃ** কোনো ব্যক্তিয়ে প্ৰতিভূতিৰ কিনা-বেচাৰ ক্ষেত্ৰত অনুমোদিত মধ্যস্থতাকাৰী হিচাপে কাৰ্য কৰিবলৈ ডিপ'জিটৰী পাৰটিচিপেণ্টৰ লগত মধ্যস্থতাকাৰী হিচাপ খুলিব লাগে। মধ্যস্থতাকাৰীজনে ভাৰতৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ পৰা পঞ্জীয়ন সংযোগ আৰু NSDLৰ পৰা পোৱা অনুমোদনৰ ভিত্তিতহে এই হিচাপ খুলিব পাৰে। এই হিচাপটো ষ্টক কিনা-বেচাৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰিব পাৰি আৰু সেয়েহে মধ্যস্থতাকাৰীজনৰ প্ৰতিভূতিৰ ওপৰত কোনো

মালিকীস্বত্ব নাথাকে।

- **নিৰ্ভৌতিকীকৰণ ঃ** কাগজী প্ৰমাণ-পত্ৰসমূহ ইলেকট্ৰ'নিক ৰূপলৈ ৰূপান্তৰিত কৰা প্ৰক্ৰিয়াটোকে নিৰ্ভৌতিকীকৰণ বোলা হয়। ওপৰৰ শাখাত আমি এই বিষয়ে বিতংভাৱে আলোচনা কৰিছো।
- **পুনঃ ভৌতিকীকৰণ ঃ** ইলেকট্ৰ'নিক ৰূপত থকা প্ৰতিভূতিসমূহ কাগজী ৰূপলৈ ৰূপান্তৰিত কৰাকে পুনঃভৌতিকীকৰণ বোলা হয়। ওপৰৰ শাখাত এই বিষয়ে আমি আলোচনা কৰিছো।
- **বজাৰ বিনিময় ঃ** নিৰ্ভৌতিক প্ৰতিভূতিৰ কিনা-বেচা কাৰ্য ভৌতিক প্ৰতিভূতিৰ কিনা-বেচাৰ প্ৰক্ৰিয়াৰ লগত প্ৰায় একে। ইয়াৰ মাজৰ প্ৰধান পাৰ্থক্যটো হ'ল যে নিষ্পত্তিৰ সময়ত কাগজী প্ৰতিভূতিসমূহ হস্তান্তৰ নকৰি ক্ৰেতা আৰু বিক্ৰেতাৰ হিচাপতহে লেনদেনৰ ফলাফল প্ৰতিফলিত হয়। ক্লিয়েৰিং সদস্যৰ জৰিয়তে হোৱা প্ৰতিভূতিৰ বিনিময়ক 'বজাৰ বিনিময়' বোলা হয়। প্ৰতিভূতি হস্তান্তৰৰ উৎস বা লক্ষ্য যদি ক্লিয়েৰিং সদস্যৰ হিচাপ হয়, তেনে হস্তান্তৰ প্ৰক্ৰিয়াক 'বজাৰ বিনিময়' বোলা হয়।
- **অনা-বজাৰ বিনিময় ঃ** প্ৰতিভূতিৰ কিনা-বেচা যদি ক্লিয়েৰিং সদস্যৰ জৰিয়তে নহয়, তেনে লেনদেনক অনা-বজাৰ বিনিময় বোলা হয়। উপ-দালালৰ জৰিয়তে হোৱা প্ৰতিভূতিৰ কিনা-বেচা 'বিনিময়ৰ বাবে কিনা-বেচা' আদি লেনদেনসমূহ অনা-বজাৰ বিনিময়ৰ উদাহৰণ।
- **আন্তঃ ডিপ'জিটৰী হস্তান্তৰ ঃ** এটা ডিপ'জিটৰীৰ হিচাপৰ পৰা আন এটা ডিপ'জিটৰীৰ হিচাপলৈ প্ৰতিভূতিৰ বিনিময় হ'লে তাক আন্তঃ ডিপ'জিটৰী হস্তান্তৰ বোলা হয়। যিবোৰ প্ৰতিভূতি দুয়োটা ডিপ'জিটৰীৰ লগত নিৰ্ভৌতিকীকৰণৰ বাবে মজুত আছে, তেনে প্ৰতিভূতিৰ বাবেহে এনেধৰণৰ লেনদেন সম্ভৱ। চৰকাৰী প্ৰতিভূতিসমূহ এনে ব্যৱস্থাৰে হস্তান্তৰ কৰিব নোৱাৰি।
- **প্ৰতিভূতি সঞ্চৰণ ঃ** কোম্পানী আইন অনুসৰি প্ৰতিভূতিৰ হস্তান্তৰ আৰু প্ৰতিভূতিৰ সঞ্চৰণৰ (transmission) মাজত পাৰ্থক্য আছে। অংশধাৰকসকলে স্বেচ্ছাই প্ৰতিভূতিৰ হস্তান্তৰ কৰিব পাৰে কিন্তু প্ৰতিভূতিৰ সঞ্চৰণ আইনৰ জৰিয়তহে কৰিব পাৰি। হস্তান্তৰৰ বাদে আন উপায়েৰে প্ৰতিভূতিৰ হস্তান্তৰ ঘটিলে, তাক প্ৰতিভূতিৰ সঞ্চৰণ বোলা হয়। উদাহৰণস্বৰূপে অংশধাৰকৰ মৃত্যু, উত্তৰাধিকাৰীলৈ হস্তান্তৰ, দেউলীয়া হোৱাত, বিৱাহ আদি ক্ষেত্ৰত প্ৰতিভূতিৰ হস্তান্তৰ হ'লে, প্ৰতিভূতিৰ সঞ্চৰণ বোলা হয়। প্ৰকৃত নথি হস্তান্তৰৰ যোগেদি প্ৰতিভূতিৰ হস্তান্তৰ হয়। আনহাতে প্ৰতিভূতিৰ সঞ্চৰণৰ ক্ষেত্ৰত বিতং তথ্য কোম্পানীলৈ পঠোৱা হয়।

  প্ৰতিভূতিৰ যৌথ ধাৰকৰ ক্ষেত্ৰত, কোনো এজন ধাৰকৰ মৃত্যু হ'লে, জীৱিত ধাৰকজনে/ধাৰকসকলে ডিপ'জিটৰী পাৰটিচিপেণ্টক প্ৰতিভূতিৰ সঞ্চৰণৰ বাবে মৃত ধাৰকজনৰ নোটেৰী স্বাক্ষৰিত মৃত্যুৰ প্ৰমাণপত্ৰৰ সৈতে অনুগ্ৰহৰ প্ৰ-পত্ৰ পূৰণ কৰিব লাগে। এই কাৰ্যৰ বাবে জীৱিত ধাৰকসকলৰ একে ডিপ'জিটৰী পাৰটিচিপেণ্ট বা আন ডিপ'জিটৰী পাৰটিচিপেণ্টৰ লগত হিচাপ থাকিব লাগে।

এজনীয়া ধাৰকৰ ক্ষেত্ৰত, ধাৰকজনৰ মৃত্যু হ'লে উত্তৰাধিকাৰী বা আইনী প্ৰতিনিধিজনে প্ৰতিভূতিৰ সঞ্চৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। এই কাৰ্যৰ বাবে উত্তৰাধিকাৰী বা আইনী প্ৰতিনিধিজনে ডিপ'জিটৰী পাৰটিচিপেণ্টক এক বিশেষ প্ৰ-পত্ৰ পূৰণৰ যোগেদি প্ৰয়োজনীয় আদেশ দিব পাৰে। প্ৰ-পত্ৰৰ লগত নিম্নলিখিত তথ্য-পাতিসমূহ ডিপ'জিটৰী পাৰটিচিপেণ্টক জমা দিব লাগিব—

- নোটেৰী স্বাক্ষৰিত ধাৰকৰ মৃত্যুৰ প্ৰমাণ পত্ৰ, অথবা
- নোটেৰী স্বাক্ষৰিত উত্তৰাধিকাৰীৰ প্ৰমাণ পত্ৰ বা আদালতৰ আদেশ, যি ক্ষেত্ৰত মৃত ব্যক্তিৰ ইচ্ছাপত্ৰ নাথাকে, অথবা
- নোটেৰী স্বাক্ষৰিত প্ৰশাসনৰ পত্ৰ।

- **কোম্পানী কাৰ্য ঃ** কোম্পানীয়ে বিনিয়োগকাৰীসকলক দিয়া সুবিধাসমূহেই হ'ল কোম্পানী কাৰ্য। এইবোৰ বিত্তীয় সুবিধা যেনে— লাভাংশ, সুত বা অনা-বিত্তীয় সুবিধা যেনে বোনাচ বা অধিকাৰ সাপেক্ষ অংশ আদি হ'ব পাৰে। NSDL য়ে এই সুবিধাসমূহ বিতৰণত সহায় কৰে।

চেণ্ট্ৰেল ডিপ'জিটৰী চাৰ্ভিচেজ (ইণ্ডিয়া) লিমিটেড (CSDL)

বোম্বে ষ্টক একচেঞ্জ আৰু বেংক অফ্ ইণ্ডিয়াৰ যৌথ সহযোগত CSDL ১৯৯৯ চনত প্ৰতিষ্ঠা কৰা হৈছিল। CSDL প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য হৈছে বজাৰত অংশগ্ৰহণকাৰীসকলক উচিত খৰচত সহজসাধ্য, বিশ্বাসযোগ্য আৰু সুৰক্ষিত ডিপ'জিটৰী সেৱা আগবঢ়োৱা। CSDLৰ ডিপ'জিটৰী পাৰটিচিপেণ্টৰ এক বিশাল নেটৱৰ্ক দেশজুৰি বিয়পি আছে। এই ডিপ'জিটৰী পাৰটিচিপেণ্টসমূহ CSDLৰ লগত ইলকট্ৰ'নিকভাৱে জড়িত হৈ আছে আৰু সেয়েহে অন লাইন আৰু সুদক্ষ সেৱা বিনিয়োগকাৰীসকলক আগবঢ়াব পাৰে।



৯.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ডিপ'জিটৰী হৈছে এক সংগঠন যিয়ে বিনিয়োগকাৰীসকলৰ প্ৰতিভূতিসমূহ ইলেকট্ৰনিক ৰূপত জমা ৰাখে যিদৰে বেংকে আমাৰ ধন হিচাপত জমা ৰাখে।
- ডিপ'জিটৰী পাৰটিচিপেণ্ট হৈছে ডিপ'জিটৰীৰ প্ৰতিনিধি যাৰ জৰিয়তে ডিপ'জিটৰীয়ে বিনিয়োগকাৰীৰ লগত সম্বন্ধ স্থাপন কৰে আৰু ডিপ'জিটৰী সেৱা আগবঢ়ায়।
- কাগজী প্ৰতিভূতিসমূহ ইলেকট্ৰনিক ৰূপত ৰূপান্তৰিত কৰা প্ৰক্ৰিয়ালৈকে নিৰ্ভোতিকীকৰণ বোলা হয়।
- বিনিয়োগকাৰীসকলে প্ৰতিভূতিসমূহ ইলেকট্ৰ'নিক বা নিৰ্ভোতিক ৰূপত জমা ৰাখিব পৰা ব্যৱস্থাটোকে ডিমেট্ হিচাপ বোলা হয়।
- ইলেকট্ৰ'নিক ৰূপত থকা প্ৰতিভূতিসমূহ ভৌতিক ৰূপলৈ হস্তান্তৰ কৰা প্ৰক্ৰিয়াটোক পুনঃ ভৌতিকীকৰণ বোলা হয়।

- ভাৰতবৰ্ষৰ দুটা ডিপ'জিটৰী হৈছে- NSDLআৰু CSDL।



৯.১০ অধিক জানিবলৈ (FURTHER READINGS)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deepand Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

৪) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.

৫) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd.



৯.১১ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ ডিপ'জিটৰী হৈছে এক সংগঠন যিয়ে বিনিয়োগকাৰীসকলৰ প্রতিভূতিসমূহ ইলেক্ট্রনিক ৰূপত জমা ৰাখে যিদৰে বেংকে আমাৰ ধন হিচাপত জমা ৰাখে।

২ নং প্রশ্নৰ উত্তৰঃ নেচনেল চিকিউৰিটিজ ডিপ'জিটৰী লিমিটেড্।

৩ নং প্রশ্নৰ উত্তৰঃ বিনিয়োগকাৰীসকলে প্রতিভূতিসমূহ ইলেক্ট্রনিক বা নির্ভৌতিক ৰূপত জমা ৰাখিব পৰা ব্যৱস্থাটোকে ডিমেট্ হিচাপ বোলা হয়।

৪ নং প্রশ্নৰ উত্তৰঃ ইলেক্ট্রনিক ৰূপত থকা প্রতিভূতিসমূহ ভৌতিক ৰূপলৈ হস্তান্তৰ কৰা প্রক্রিয়াটোক পুনঃ ভৌতিকীকৰণ বোলা হয়।



৯.১২ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ ডিপ'জিটৰীৰ অর্থ আৰু সুবিধাসমূহ উল্লেখ কৰক।

প্রশ্ন ২ঃ ডিপ'জিটৰী পাৰটিচিপেণ্টৰ সংজ্ঞা লিখক।

প্রশ্ন ৩ঃ ডিপ'জিটৰীৰ প্রক্রিয়াটো আলোচনা কৰক।

প্রশ্ন ৪ঃ ডিপ'জিটৰীৰ আগবঢ়োৱা সেৱাসমূহ আলোচনা কৰক।

প্রশ্ন ৫ঃ ডিমেট্ হিচাপৰ সুবিধাসমূহ কি কি?

*** ***** ***